# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম** **বিষয় ঃ গণিত**

এই সমলৰ সংক্ষিপ্ত ৰূপৰেখা

বিষয় ঃ গণিত শ্ৰেণী ঃ পঞ্চম (গণিতৰ যাদু)

পাঠ্যপুথিৰ লগত জড়িত পাঠ ঃ পাঠ নং-10 পাঠৰ নাম ঃ দশমাংশ আৰু শতাংশ

বিষয়বস্তু/ধূসৰ ক্ষেত্ৰ /শিকন ঘাটি ঃ দশমিক ভগ্নাংশ

শৈক্ষিক দিনপঞ্জী মতে শিকনৰ মাহ ঃ আগষ্ট মাহ

| শিকন ফলাফল | শিক্ষণ-শিকন প্ৰক্ৰিয়া/কাৰ্য | আৱশ্যকীয় সামগ্ৰী | মূল্যায়নৰ আহিলা | বিষয় অধ্যয়ন | মন্তব্য |
|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 |
| $\frac{1}{2}, \frac{1}{4}, \frac{1}{5}, \frac{1}{10}$ ইত্যাদি ভগ্নাংশবোৰক দশমিক ৰূপত আৰু দশমিক ৰূপৰ পৰা ভগ্নাংশত প্ৰকাশ কৰিব পাৰিব। | কাৰ্যাৱলী<br>- উদাহৰণ আৰু বস্তুৰ দ্বাৰা ভগ্নাংশক দশমিকত প্ৰকাশ কৰা কাৰ্য।<br>- দশমাংশ আৰু শতাংশৰ ধাৰণা দৃঢ়ীকৰণ কৰাৰ বাবে বৰ্গাকৃতি কাগজক দহ ভাগ আৰু 100ভাগ কৰি দেখুওৱা কাৰ্য।<br>স্কেলৰ সহায়ত বস্তুৰ দৈৰ্ঘ্য জুখি দশমিকত প্ৰকাশ কৰি দেখুওৱা কাৰ্য। | চাৰ্ট পেপাৰ, ৰঙীন পেঞ্চিল, কাঠী, স্কেল, কাঠপেঞ্চিল, মিটাৰ স্কেল, চক, ডাষ্টাৰ, কাগজ আদি। | মূল্যায়নৰ আহিলা হিচাপে শিক্ষণ-শিকন প্ৰক্ৰিয়া চলি থাকোতে অবিৰতভাৱে মূল্যায়ন কৰি থকা হয়। ইয়াৰ উপৰি মূল্যায়নৰ বাবে কিছু প্ৰশ্ন সংযোজন কৰা হৈছে। | শিক্ষকৰ অভিজ্ঞতাপুষ্ট কৰা এটি বিষয় অধ্যয়ন সংলগ্ন কৰা হৈছে। | ছাত্ৰ-ছাত্ৰীসকলক শিক্ষকে বিদ্যালয়ৰ ভিতৰত আৰু বাহিৰত, শ্ৰেণীত বিভিন্ন বস্তুৰ পৰ্যবেক্ষণৰ সুবিধা দিব যাতে ভগ্নাংশ আৰু দশমিক ভগ্নাংশৰ আভাস পায়।<br><br>বাস্তৱ কাৰ্য কৰি দেখুৱাব আৰু ছাত্ৰ-ছাত্ৰীসকলকো কৰিবলৈ দিব, তেতিয়া ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফল নিশ্চিত কৰিব পাৰিব। |

# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম** **বিষয় ঃ গণিত**

**শিকন ফলাফল ঃ**

* $\frac{1}{2}, \frac{1}{4}, \frac{1}{5}, \frac{1}{10}$ **ইত্যাদি ভগ্নাংশবোৰক দশমিক ৰূপত আৰু দশমিক ৰূপৰ পৰা ভগ্নাংশত প্ৰকাশ কৰিবলৈ শিকিব।**

**বিষয়বস্তু ঃ** ভগ্নাংশ আৰু দশমিকৰ ব্যৱহাৰ

**পাঠ্যপুথিত থকা সংশ্লিষ্ট পাঠ ঃ** দশমাংশ আৰু শতাংশ

পাঠ নং - 10 শৈক্ষিক দিনপঞ্জী মতে শিকনৰ মাহ ঃ আগষ্ট

**পাতনি** (Overview)ঃ আমাৰ দৈনন্দিন কাৰ্যাৱলীত আমি ভগ্নাংশ আৰু দশমিক প্ৰায়ে ব্যৱহাৰ কৰি আছো। যেনে কোনো এটা বস্তুৰ $\frac{1}{2}$ বা $\frac{1}{4}$ বা $\frac{1}{3}$ বা $\frac{1}{10}$ ইত্যাদি আমি বিভিন্ন সময়ত ব্যৱহাৰ কৰো। বজাৰ কৰোতে কোনো এটা গোটা বস্তু যেনে কোমৰা, তৰমুজ ইত্যাদি প্ৰায়েই বিভিন্ন অংশ কাটি বিক্ৰী কৰা হয় আৰু আমি ক্ৰয় কৰোতে মৌখিকভাৱে আধা ($\frac{1}{2}$) বা চাৰি ভাগৰ এক ($\frac{1}{4}$) ইত্যাদি ব্যৱহাৰ কৰোঁ। বেপাৰীসকলেও বজাৰত কোনো গোটা বস্তুক বিভিন্ন ভগ্নাংশত ধুনীয়াকৈ কাটি বিক্ৰী কৰা ছাত্ৰ-ছাত্ৰীসকলে নিশ্চয় দেখা পায়। মৌখিক কথা বাৰ্তাতো আমি বিভিন্ন সময়ত এই ভগ্নাংশ ব্যৱহাৰ কৰো যেতিয়া কিছু বস্তু ভাগ বতৰা কৰা হয় - যেনে 20 টকাৰ আধা ($\frac{1}{2}$) যে 10 টকা বা 1 মিটাৰ কাপোৰৰ আধা ($\frac{1}{2}$) 500 চেমি বা ($\frac{1}{2}$) কেজি পিঁয়াজ মানে যে 500 গ্ৰাম ইত্যাদি। ঠিক একেদৰে প্ৰয়োজনত বিভিন্ন ভগ্নাংশক আমি সহজে দশমাংশত প্ৰকাশ কৰি দশমিকত প্ৰকাশ কৰোঁ। যেনে 1 টকাৰ (100 পইচাৰ) আধা 50 পইচা অৰ্থাৎ 50 পইচা আমি 0.5 টকাৰে দশমিকত প্ৰকাশ কৰো, ঠিক একেদৰে 1 টকাৰ চাৰি ভাগৰ এভাগ হ'ল 25 পইচা আৰু আমি 0.25 টকাৰে দশমিকত প্ৰকাশ কৰো।

আমি প্ৰায়েই যানবাহনত পেট্ৰ'ল ভৰাও। পেট্ৰ'ল পাম্পত তেলৰ পৰিমাণ দশমিকত প্ৰকাশ কৰে। যেনে 500 টকাত তেল পোৱা যায় 6.3 লিটাৰ অৰ্থাৎ 6 লিটাৰ আৰু 3 চেন্টিলিটাৰ ইত্যাদি। সেয়ে দৈনন্দিন হিচাব-নিকাচ কৰোতে আমি প্ৰায়েই ভগ্নাংশ আৰু বিশেষকৈ দশমিক অৰ্থাৎ দশমাংশ আৰু শতাংশ ব্যৱহাৰ কৰো। এই বিষয়বস্তুটো গণিত আৰু বিজ্ঞানত প্ৰায় সকলো পৰ্যায়তেই ব্যৱহাৰ হৈ থাকে। সেয়ে প্ৰাৰম্ভিক পৰ্যায়তেই ইয়াৰ ধাৰণা ছাত্ৰ-ছাত্ৰীসকলে ভালদৰে বুজি পালে পিছলৈ সদায় শুদ্ধভাৱে তাক প্ৰকাশ কৰিবলৈ সমৰ্থ হ'ব। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে দশমিকৰ ব্যৱহাৰ জটিল হিচাবে গণ্য কৰে। দশমাংশ বা শতাংশ যে ভগ্নাংশৰে এটা বিশেষ ৰূপ সেই ধাৰণা প্ৰথমেই ছাত্ৰ-ছাত্ৰীসকলক স্পষ্ট কৰাব লাগে আৰু এই বিশেষ ৰূপটো কিদৰে সহজে দশমিকেৰে প্ৰকাশ কৰা হয় তাক স্পষ্ট কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব দিব লাগে, বিভিন্ন উদাহৰণ, কাৰ্য আৰু সমস্যা সমাধানৰ জৰিয়তে শ্ৰেণীকোঠাত এই ধাৰণা সমূহ আয়ত্ত কৰাবলৈ ছাত্ৰ-ছাত্ৰীক কিদৰে জড়িতকৰণ কৰি পাঠদান কৰিব পাৰে তাৰে এটা চমু আভাস এই শৈক্ষিক সমলটোত দিয়াৰ প্ৰচেষ্টা কৰা হৈছে।

এই সমলৰ বিষয়ে ইতিমধ্যে আপোনালোকক অৱগত কৰোঁ যে গুণোৎসৱ আৰু ৰাষ্ট্ৰীয় পাৰদৰ্শিতা অধ্যয়ন (NAS) এই দুয়োটাৰ ফলাফল অনুসৰি কিছু শিকনীয় দিশত ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা সন্তোষজনক নহয়। তাৰে এটা ক্ষেত্ৰ হৈছে দশাংশ আৰু শতাংশ। সেয়ে এই সমলত আপুনি দশমাংশ আৰু শতাংশৰ ধাৰণা কেনেদৰে সহজতে দিব পাৰিব সেই বিষয়ে শিকিব। মাধ্যমিক তথা উচ্চ শিক্ষাৰ প্ৰতিটো বিষয়তে দহাংশ আৰু শতাংশৰ বহুল প্ৰয়োগ দেখা যায়।

এই সমলটোৰ জৰিয়তে আপুনি ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ পৰিচিত প্ৰসংগৰ মাধ্যমেৰে দশমিক ভগ্নাংশ

আৰু শতাংশৰ লগত চিনাকি কৰাই দিব। দহাংশ আৰু শতাংশ যে এটা বিশেষ ভগ্নাংশ তাৰ ধাৰণা দিবলৈ কিছুমান কাৰ্যৰ বিবেচনা কৰিব পাৰিব।

আপুনি কাৰ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ সামৰ্থ কেনেদৰে বিকাশ কৰিব পাৰি ভাবিব পাৰিব। ছাত্ৰ-ছাত্ৰীয়ে একেলগে কাম কৰি ধাৰণাবিলাকৰ ওপৰত মত বিনিময় কৰি জটিল ধাৰণা বিলাক কেনেদৰে বুজি পাব আৰু নতুন ধাৰণাৰ অনুসন্ধান কৰি সেই ধাৰণাবিলাকৰ মাজত কেনেদৰে সংযোগ ঘটাব এই বিষয়ে আপুনি ভাবিব পাৰিব।

**এইশৈক্ষিক সমলটোৰ পৰা কি কি শিকিব?**

(১) বাস্তৱ উদাহৰণ আৰু বিভিন্ন কাৰ্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক দশমিক ভগ্নাংশৰ ধাৰণা কিদৰে দিব পাৰিব?

(২) গণিতৰ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক বিভিন্ন কাৰ্যত জড়িত কৰি তেওঁলোকৰ শিকন কিদৰে নিশ্চিত কৰিব তাৰ আভাস পাব।

(৩) শিক্ষণ অভ্যাসনৰ প্ৰতিফলনৰ দ্বাৰা শিক্ষণ-শিকন কৌশল অধিক ফলপ্ৰসূ কৰিব পাৰিব।

(৪) দৈনন্দিন বা বাস্তৱ জীৱনৰ লগত গণিতৰ সম্পৰ্কবোৰ ছাত্ৰ-ছাত্ৰীক বিচাৰি পোৱাত সহায় কৰিব পাৰিব।

**ভগ্নাংশৰ ধাৰণা স্পষ্টকৰণ**

দশমাংশ আৰু শতাংশৰ ধাৰণা উপস্থাপন কৰাৰ আগতে আৰম্ভণিতে পূৰ্বৰ পাঠৰ দ্বাৰা আয়ত্ত কৰা ভগ্নাংশৰ ধাৰণা সমূহ ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে আয়ত্ত কৰিছে নে নাই তাৰ বাবে কিছু কাৰ্য পুনৰ কৰাই আৰু আলোচনাৰ দ্বাৰা মূল্যায়ন কৰিব আৰু প্ৰয়োজনত দৃঢ়ীকৰণ কৰাৰ ব্যৱস্থা কৰিব। তাৰ বাবে আপুনি তলত দিয়া কাৰ্য ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব।

**কাৰ্য 1ঃ** ছাত্ৰ-ছাত্ৰীসকলক (৩/৪ জনীয়া) দলত ভাগ কৰি লওক। প্ৰতিটো দলত বিভিন্ন সংখ্যাৰ বৰ্গ ঘৰ থকা জালি কাগজ দিয়ক।



নমুনা 1



নমুনা 2

এইবাৰ তেওঁলোকক জালি কাগজসমূহত তলত দিয়া ভগ্নাংশবিলাক বিভিন্ন ৰঙেৰে ৰং কৰিবলৈ দিয়ক।

যেনে - (a) $\frac{1}{2}$ ৰঙা, $\frac{1}{4}$ সেউজীয়া

(b) $\frac{2}{4}$ নীলা, $\frac{1}{2}$ হালধীয়া।

এইবাৰ মন কৰক তেওঁলোকে প্ৰথমে জালিসমূহক বা বৰ্গঘৰসমূহক কিদৰে 2 ভাগত, 4 ভাগত ভাগ কৰিছে। সেই ভাগবোৰ দেখুৱাই দিবলৈ দিয়ক।

তাৰ পাছত তাৰে 1 ভাগ বা 2 ভাগ কোন কেইটা হ'ব তাক সিহঁতে কিদৰে বিচাৰি উলিয়াইছে মন কৰক। লক্ষ্য ৰাখিব নমুনা 1 ৰ $\frac{1}{4}$ সেউজীয়া ৰং কৰিলে মুঠ সেউজীয়া ৰঙ কৰা ঘৰ হ'ব 4টা সেই কথাটো ছাত্ৰ-ছাত্ৰীয়ে উপলব্ধি কৰিব পাৰিছে নে নাই তাক বিভিন্ন প্ৰশ্ন সুধি বুজি লওঁক। একে ধৰণে তেওঁলোকৰ ৰং কৰা কাৰ্যৰ পৰা $\frac{3}{8}, \frac{5}{8}, \frac{1}{5}, \frac{2}{4}$ আদি জালি নক্সা ব্যৱহাৰ কৰি কিমান হ'ব তাক বিচাৰি উলিয়াবলৈ দিয়ক। প্ৰথমে সিহঁতে প্ৰয়োজনীয় ভাগখিনি যেনে 4 ভাগ, 5 ভাগ, 4 ভাগ কৰিবলৈ কিদৰে যত্ন কৰিছে মন কৰক। তাৰ পাছত সেই ভাগ কেইটা কাঠ পেন্সিলেৰে চিহ্নিত কৰি তাৰে নিৰ্দিষ্ট ল'বলগীয়া ভাগ কেইটা বাছি উলিয়াব দিয়ক আৰু আপোনাক দেখুৱাই দিবলৈ কওঁক। তাৰ পাছতহে ৰং কৰিব দি ভগ্নাংশৰ ধাৰণা স্পষ্ট কৰাওক। কাৰ্যটো দেখাত সহজ হ'লেও প্ৰকৃততে শ্ৰেণীকোঠাত কৰিবলৈ ছাত্ৰ-ছাত্ৰীক চিন্তা কৰিবলৈ সুযোগ দিয়ক আৰু প্ৰত্যেকৰে অংশগ্ৰহণ নিশ্চিত কৰক।

**কাৰ্য নং 2 ঃ দশমাংশ আৰু শতাংশৰ ধাৰণা**

$\frac{1}{10}$ আৰু $\frac{1}{100}$ ৰ স্পষ্ট কৰাবলৈ দুখনকৈ সমান জোখৰ বৰ্গাকৃতিৰ কাগজ ছাত্ৰ-ছাত্ৰীসকলক যোগান ধৰিব। এতিয়া ছাত্ৰ-ছাত্ৰীসকলক যোগান ধৰা এখন কাগজ 10 টা সমান ভাগত আৰু আনখন কাগজৰ 100 টা সমান ভাগত ভাগ কৰিবলৈ দি তাৰ এভাগ ৰং কৰি দেখুৱাই দিবলৈ দিয়ক। তাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে ভগ্নাংশৰ ধাৰণাৰ লগতে $\frac{1}{10}$ আৰু $\frac{1}{100}$ ৰ প্ৰাৰম্ভিক ধাৰণা বুজি পাব।



$\frac{1}{10} = 0.1$ (অৰ্থাৎ ইয়াক আমি শূন্য দশমিক 1 বুলি পঢ়ো)



$\frac{1}{100} = 0.01$ (অৰ্থাৎ ইয়াক আমি শূন্য দশমিক শূন্য 1 বুলি পঢ়ো)

এইবাৰ তেওঁলোকক দেখুৱাই দিবলৈ দি দশমিকত প্ৰকাশ কৰিবলৈ দিয়ক বিভিন্ন দশমাংশ বা শতাংশ যেনে $\frac{3}{10}$, $\frac{5}{10}, \frac{6}{10}, \frac{2}{100}, \frac{10}{100}, \frac{50}{100}$ ইত্যাদি। আপুনিও শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীক ব'ৰ্ডলৈ এজন এজনকৈ মাতি আনি বৰ্গ কাগজ দেখুৱাৰ লগতে বিভিন্ন দশমাংশক দশমিকত প্ৰকাশ কৰিবলৈ দিয়ক যেনে $\frac{3}{10}$ ক সিহঁতে 0.3 লিখিব পাৰিছেনে নাই মন কৰক। যদি ভুলকৈ লিখিছে সিহঁতে কিয় ভুল কৰিছে শুধৰাই দিবলৈ যত্ন কৰিব। এই কাৰ্যটো কেবাবাৰো কৰাওক আৰু নিশ্চিত হওক প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে বিশেষ ভগ্নাংশবোৰক দশমিকত প্ৰকাশ কৰিব পাৰিছে নে নাই।

**দশমিকৰ ব্যৱহাৰৰ বাবে কাৰ্য**

**কাৰ্য নং ঃ 3** শিক্ষকে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ কলম আৰু পেঞ্চিল স্কেলৰ সহায়ত জুখিবলৈ দিব আৰু জোখবিলাক সাধাৰণ ভগ্নাংশ আৰু দশমিক ভগ্নাংশত প্ৰকাশ কৰিবলৈ দিয়ক।

এইবাৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক তেওঁলোকে পোৱা জোখবোৰ চাৰ্টত লিখিবলৈ দিয়ক।

যেনে

| ৰোল নং | চেমি/মিমি | কলমৰ জোখ | চেমি/মিমি | পেঞ্চিলৰ জোখ |
|---|---|---|---|---|
| 1 | 3 চেমি/4 মিমি | 3.4 চেমি | 5 চেমি/3 মিমি | 5.3 চেমি |
| 2 | 3 চেমি/6 মিমি | 3.6 চেমি | 5 চেমি/1 মিমি | 5.1 চেমি |

এনেদৰে বেলেগ বেলেগ বস্তুৰ জোখ মাখ লৈ চেমি/মিমিত দশমিক ভগ্নাংশত প্ৰকাশ কৰিবলৈ দিব পাৰে।

**কাৰ্য নং 4 ঃ**

- প্ৰয়োজনীয় সামগ্ৰীসমূহ লাঠী, বিৰিং গুটি, শ্ৰেণীকক্ষৰ খিৰিকী /দৰ্জা আদি।
- আপুনি গ্লাচ খুওৱা খিৰিকী এখন দেখুৱাই ছাত্ৰ-ছাত্ৰীক সুধিব—



- খিৰিকীখন কেইটা অংশত ভাগ কৰা হৈছে।
- খিৰিকীৰ কোনবোৰ অংশ গ্লাচেৰে আবৃত কৰা হৈছে ইত্যাদি।

এনেকুৱা বহু সামগ্ৰী দেখুৱাই ওপৰৰ প্ৰশ্নকেইটা পুনৰাবৃত্তি কৰিব পাৰে।

এতিয়া শ্ৰেণীকক্ষৰ দৰ্জাখন দেখুৱাই ছাত্ৰ-ছাত্ৰীক সুধিব—



- দৰ্জাখন কিমানটা ভাগত ভাগ কৰা হৈছে।
- দৰ্জাখনৰ যিকোনো এটা অংশ কাগজেৰে ঢাকি দিয়া হ'ল।

শিক্ষকে ছাত্ৰ-ছাত্ৰীক সুধিব দৰ্জাখনৰ কিমান অংশ ঢাকি দিয়া হ'ল?

সম্ভাব্য উত্তৰ ঃ $\frac{1}{10}$ ইত্যাদি

**বিষয় অধ্যয়নঃ**

*কাৰ্য 2 ব্যৱহাৰ কৰি ৰমেশ কলিতা চাৰে কি শিকালে তাৰ প্ৰতিফলন*

*"মই ছাত্ৰ-ছাত্ৰীসকলে সদায় ব্যৱহাৰ কৰি থকা স্কেলপাতৰ সহায়ত দশমিকৰ ধাৰণা দিবলৈ চেষ্টা কৰি কি কি কৰিছিলো তাক তলত উল্লেখ কৰিলো। মই তেওঁলোকৰ চেমি আৰু মিমি অংশ ভালকৈ মন কৰিবলৈ কৈছিলো।*

**শ্ৰেণী ঃ পঞ্চম** **বিষয় ঃ গণিত**

*তোমালোকে এক চেমি দৈৰ্ঘ্যক সমানে 10টা ভাগ কৰা দেখিছানে? এই প্ৰতিটো ভাগক কি বোলে বাৰু? বহুতে শুদ্ধ উত্তৰ দিব পাৰিছিল। নোৱাৰাসকলক মই বুজাই কৈছিলো যে প্ৰতিটো ভাগক এক মিলিমিটাৰ বুলি কোৱা হয়। অৰ্থাৎ এক চেন্টিমিটাৰৰ এক দশমাংশ হ'ল এক মিলিমিটাৰ। তাৰ পিছত মই সুধিছিলো।*

*এই ক আন এটা ধৰণে কেনেকৈ লিখা হয় তোমালোকে জানানে?*

$\frac{1}{10}$ *ক লিখা হয় 0.1 হিচাপে আৰু এইদৰে দহ ভাগৰ দুভাগক* $\frac{2}{10}$ *ক লিখা হয় 0,2 ।*

*এই বিন্দুটোৰ (.) সোঁফালে 10 ভাগৰ কিমান ভাগ লোৱা হৈছে সেইটো লিখা হয়।. এই বিন্দুটোক দশমিক বিন্দু বোলা হয় আৰু .1, .2, .3 বোৰক দশমিক ভগ্নাংশ বোলা হয়।*

*এতিয়া প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ পেন্সিল, কলম, ৰবৰ আদি জোখা আৰু নিজৰ নিজৰ বহীত লিখা।*




*1. পেন্সিল ................. চেমি ............ মি = ............ চেমি*

*2. কলম ................. চেমি ............ মি = ............ চেমি*

*3. বাকচ ................. চেমি ............ মি = ............ চেমি*

*ছাত্ৰ-ছাত্ৰীসকলে লিখিবলৈ চেষ্টা কৰিছিল আৰু তেওঁলোকে সফল হৈছিল। ছাত্ৰ-ছাত্ৰীসকলক মই পাঠত দিয়া চিত্ৰবোৰৰ ৰং দিয়া অংশৰ পৰিমাণ দশমিকত লিখিবলৈ দিছিলো।"*

**চিন্তন ঃ** ৰমেশ কলিতা ছাৰে ব্যৱহাৰ কৰা কাৰ্যটো আপোনাৰ শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি চাওঁক।

⇒ ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্যটোৰ সহায়ত দশমিকৰ ধাৰণা পাবলৈ সক্ষম হ'ব বুলি আপুনি ভাবিছে নে?

কাৰ্যটোত কিছু সালসলনি কৰিব লাগিব বুলি ভাবে নেকি? যদি কিবা সালসলনি কৰিব লগা হয় কি কি সালসলনি কৰিব চিন্তা কৰক।

কোন কোন দিশত আপুনি দৃঢ়ীকৰণ কৰিব লাগিছিল বুলি ভাবিছে?

# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম** **বিষয় ঃ গণিত**

**কাৰ্য ঃ**

**সামগ্ৰী ঃ** দিয়াচলাই, জোতা, বেগ, পেন, পুতলা ইত্যাদি।

শিক্ষকে ছাত্ৰ-ছাত্ৰীক উক্ত বস্তুবিলাকৰ দাম দলত বিচাৰি চাবলৈ দিয়ক। ইয়াৰ পাছত তলত দিয়া ধৰণেৰে তালিকা প্ৰস্তুত কৰিবলৈ দিয়ক।

| সামগ্ৰী | বস্তুৰ মূল্য | টকা | পইচা |
|---|---|---|---|
| দিয়াচলাই | 0.50 টকা | 0 | 50 পইচা |
| কলম | 6.50 টকা | 6 | 50 পইচা |
| পুতলা | 20.50 টকা | 20 | 50 পইচা |

এইদৰে কমেও 4-10 বিধ বস্তুৰ মূল্য তেওঁলোকৰ দ্বাৰা সংগ্ৰহ কৰিবলৈ দি মূল্যবোৰত দশমিক ব্যৱহাৰ কৰিবলৈ দিয়ক।

বিঃদ্ৰ ঃ এই ক্ৰিয়াকলাপটোৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে বজাৰ কৰোঁতে দশমিকৰ ব্যৱহাৰ/প্ৰয়োগ সম্পৰ্কে শিকিব।

**কাৰ্য ঃ**

ছাত্ৰ-ছাত্ৰীক এসপ্তাহৰ বাতৰি কাকতৰ পৰা গুৱাহাটীৰ বৰষুণৰ পৰিমাণৰ জোখ চেণ্টিমিটাৰ আৰু মিলিমিটাৰত চাবলৈ উৎসাহিত কৰিব। লগে লগে ছাত্ৰ-ছাত্ৰীয়ে পৰিমাণৰ জোখসমূহ চাই তালিকা প্ৰস্তুত কৰিব।

যেনে এটা সপ্তাহৰ -

| দিন | চেণ্টিমিটাৰ | মিলিমিটাৰ | দশমিক ভগ্নাংশ |
|---|---|---|---|
| সোমবাৰ | 2 | 3 | 2.3 চেমি |
| মঙলবাৰ | 1 | 2 | 1.2 চেমি |
| বুধবাৰ | 0 | 3 | 0.3 চেমি |
| বৃহস্পতিবাৰ | 0 | 4 | 0.4 চেমি |
| শুকুৰবাৰ | 1 | 5 | 1.5 চেমি |
| শনিবাৰ | 2 | 3 | 2.3 চেমি |
| দেওবাৰ | 1 | 6 | 1.6 চেমি |

--এনে ধৰণৰ আৰু কিছুমান কাৰ্য আপুনি চিন্তা কৰি কৰিবলৈ দিব।

**আপোনাৰ শিক্ষণ-শিকন অভ্যসনৰ প্ৰতিফলন**

-- আপুনি শ্ৰেণীকোঠাত কাৰ্যবোৰ কৰাওতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে সক্ৰিয়ভাৱে জড়িত কৰিব পাৰিছিলনে?

-- আপুনি নিশ্চিত হ'ব পাৰিছিলনে যে ছাত্ৰ-ছাত্ৰীসকলে সকলোৱেই ভগ্নাংশক দশমিকত প্ৰকাশ কৰা কাৰ্যটো বুজি পাই কৰিব পাৰিছিল?

-- কোন কোন ছাত্ৰ-ছাত্ৰীৰ অধিক শিকনৰ প্ৰয়োজন চিনাক্ত কৰিব পাৰিছিল নে?

-- বাস্তৱ জীৱনৰ লগত উদাহৰণবোৰ দিওতে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সঁহাৰি পাইছিল নে?

-- শিক্ষণ-শিকন কাৰ্যবোৰত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মনোগ্ৰাহীৰে শিক্ষণ শিকন কাৰ্যৰ বাবে আপুনি সঠিকভাৱে পৰিকল্পনা কৰিব পাৰিছিল নে? যদি পৰা নাই তাৰ বাবে আপুনি আৰু কিদৰে প্ৰস্তুত হ'ব।

# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ পঞ্চম** **বিষয় ঃ গণিত**

**দলগত কাৰ্য**

শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ দশমিক ভগ্নাংশৰ ধাৰণা স্পষ্ট কৰাবলৈ ছাত্ৰ-ছাত্ৰীক 4 বা 5 জনীয়া দলত ভাগ কৰি সমস্যামূলক অংক আলোচনাৰ মাধ্যমেৰে সমাধান কৰিবলৈ দিব।

**মূল্যায়নৰ বাবে (কিছু নমুনা প্ৰশ্ন দিয়া হ'ল)**

(a) ভগ্নাংশত প্ৰকাশ কৰা

(i) দহ ভাগৰ দুই

(ii) দহ ভাগৰ আঠ

(iii) এশ ভাগৰ সাত

(iv) এশ ভাগৰ ন

(b) দশমিক ব্যৱহাৰ কৰি চেণ্টিমিটাৰত প্ৰকাশ কৰা ঃ

(i) 2 মিমি = 0.2 চেমি

(ii) 36 মিমি

(iii) 8 মিমি

(iv) 77 মিমি

(v) 81 মিমি

(c) দশমিকত প্ৰকাশ কৰা।

$\frac{5}{10}$

(i) (ii) $\frac{88}{10}$ (iii) $\frac{77}{10}$ (iv) $\frac{2}{10}$ (v) $\frac{13}{10}$

(d) মিলাই চোৱা

| | | |
|---|---|---|
| (i) $\frac{1}{2}$ টকা | 75 | 0.10 টকা |
| (ii) $\frac{1}{10}$ টকা | 50 পইচা | 0.25 টকা |
| (iii) $\frac{3}{4}$ টকা | 25 পইচা | 0.50 টকা |
| (iv) $\frac{1}{4}$ টকা | 10 পইচা | 0.75 টকা ইত্যাদি |

**সামৰণি ঃ** ভগ্নাংশক দশমিকত প্ৰকাশ কৰা কাৰ্য যিমান পাৰে বাস্তৱ উদাহৰণৰ জৰিয়তে আলোচনা আৰু ব্যাখ্যাৰ দ্বাৰা দাঙি ধৰাৰ লগতে ছাত্ৰ-ছাত্ৰীক কাৰ্যৰ দ্বাৰা জড়িত কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীসকলে নিশ্চিতভাৱে শিকন ফলাফল প্ৰাপ্ত হ'ব বুলি আশা কৰিব পাৰি।

মনোগ্ৰাহী কাৰ্যৰ দ্বাৰা যথেষ্ট অনুশীলনৰ দ্বাৰা নিশ্চয়কৈ ছাত্ৰ-ছাত্ৰীসকলে নিৰ্দিষ্ট অৰ্হতা আয়ত্ত কৰিব পাৰিব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটিসমূহ পৰ্যবেক্ষণ কৰি শ্ৰেণীৰ পাঠদান কাৰ্যৰ জৰিয়তে অবিৰত মূল্যায়ন আৰু অধিক উপযুক্ত কাৰ্য আৰু অনুশীলনীত জড়িত কৰিলে নিশ্চয় শিকন ঘাটিসমূহ দূৰ কৰিব পাৰিব আৰু আপুনিও শিক্ষক হিচাবে এজন সফল শিক্ষক বুলি নিজকে পৰিচয় দিব পাৰিব।

-------